**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-12-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

------------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্ণিল বস্ত্ৰ খণ্ড, পৰ্যটনৰ সা-সুবিধা তথা পৰম্পৰাগত হস্তশিল্পক উজলাই তোলা অষ্টলক্ষ্মী মহোৎসৱক প্ৰশংসা কৰে।

২। গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে শ্ৰীমোদীৰ নেতৃত্বত দেশৰ নিৰাপত্তাৰ প্ৰেক্ষাপটত বৃহৎ পৰিৱৰ্তন সাধিত হৈছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মানামা আলোচনাত দেশৰ পশ্চিম এছিয়াৰ বাবে সৰ্বাত্মক কৌশল প্ৰকাশ কৰে।

৪। ছিৰিয়াত সংঘটিত শেহতীয়া ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত দেশখনত ২৪ বছৰীয়া একনায়কত্ববাদী চৰকাৰৰ পতন ঘটে। **আৰু**

৫। পুৰুষৰ ১৯ বছৰ অনূৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত বাংলাদেশে ভাৰতক পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তঃগাঁথনিত বিনিয়োগ, ডিজিটেল অন্তৰ্ভুক্তি তথা উন্নীত যোগাযোগ ব্যৱস্থাৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত হোৱা উল্লেখনীয় প্ৰগতিৰ প্ৰশংসা কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ একাউণ্টত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই লিখা **বিকশিত ভাৰত দৃষ্টিভংগীৰ জৰিয়তে কৰ্ণধাৰ হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ অগ্ৰগতি** শীৰ্ষক এটা প্ৰবন্ধ শ্বেয়াৰ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্ণিল বস্ত্ৰ খণ্ড, পৰ্যটনৰ সা-সুবিধা তথা পৰম্পৰাগত হস্তশিল্পক উজলাই তোলা অষ্টলক্ষ্মী মহোৎসৱক প্ৰশংসা কৰে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত অষ্টলক্ষ্মী মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ সৌন্দৰ্য, বিচিত্ৰতা তথা সম্ভাৱনা প্ৰদৰ্শনৰ লক্ষ্য লোৱা হৈছে। এই মহোৎসৱত আঢ়ৈশতকৈও অধিক শিল্পীয়ে অনন্য হস্তশিল্প, বস্ত্ৰশিল্প তথা কৃষি আৰু উদ্যান শস্যজাত সামগ্ৰীৰ প্ৰদৰ্শন কৰিছে। এই মহোৎসৱৰ আজি সামৰণি পৰিব।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি ভাৰতীয় সীমান্ত সুৰক্ষা বাহিনী চমুকৈ বি এছ্ এফৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰে। ৰাজস্থানৰ যোধপুৰস্থিত বি এছ্ এফ ফ্ৰন্টিয়াৰ মুখ্য কাৰ্যালয়ত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰীগৰাকীয়ে সীমান্ত সুৰক্ষা বাহিনীৰ সাহস, বীৰত্ব আৰু ত্যাগৰ মনোভাৱৰ প্ৰশংসা কৰে। ছয় দশক ধৰি দেশৰ সীমান্ত সুৰক্ষাৰ প্ৰথম পৰ্যায়ৰ বাহিনী হিচাপে কাম কৰি অহা বি এছ্ এফৰ কৰ্মৰাজিৰ প্ৰশংসা কৰি শ্ৰীশ্বাহে কয়, যে ১৯৬৫ চনৰে পৰা বাহিনীটোৱে দেশৰ পূব আৰু পশ্চিম সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে সীমান্ত সুৰক্ষাৰ উপৰি বাহিনীটোৱে অবৈধ অনুপ্ৰৱেশ ৰোধ, নকল টকা জব্দ তথা বাওঁপন্থী সন্ত্ৰাসবাদ দমনকে ধৰি বিভিন্ন ক্ষেত্ৰত কাম

কৰি আহিছে। ২৫টা বেটেলিয়নৰে আৰম্ভ হোৱা বাহিনীটোৰ পৰিসৰ অগ্ৰসৰ হৈ আছে বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত দেশৰ নীতি বহু বছৰ ধৰি অস্পষ্ট হৈ আছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে মোদী চৰকাৰে এইক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। শ্ৰীমোদীৰ নেতৃত্বত দেশৰ নিৰাপত্তাৰ প্ৰেক্ষাপটত বৃহৎ পৰিৱৰ্তন সাধিত হৈছে। দেশৰ সীমান্তৰ আন্তঃগাঁথনি কৰি তোলাত ভাৰত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰা বুলি সদৰি কৰি তেওঁ কয়, যে প্ৰতি বছৰে বাজেটত এই উদ্দেশ্যে বিশেষ ব্যৱস্থা ৰখা হয়। শ্ৰীশ্বাহে কয়, যে চৰকাৰে সীমান্ত অঞ্চলৰ গাঁওসমূহৰ বাবে প্ৰাণৱন্ত গাঁও আঁচনি মুকলি কৰিছে। এই আঁচনিৰ জৰিয়তে সীমান্তৰ গ্ৰামাঞ্চলৰ নাগৰিকসকলে নিয়োগৰ সুবিধা, মৰ্যাদাকে ধৰি সকলো বুনিয়াদী সুবিধা লাভ কৰিব। সম্প্ৰতি এই আঁচনি পৰীক্ষামূলকভাৱে তিনি হাজাৰ গাঁৱত মুকলি কৰা হৈছে। চৰকাৰে অৰ্ধসামৰিক বাহিনীলৈ সকলো সা-সুবিধা আগবঢ়োৱাৰ উদ্দেশ্যে প্ৰচেষ্টা অব্যাহত ৰখা বুলি মন্ত্ৰীগৰাকীয়ে সদৰি কৰে। ইয়াৰ পূৰ্বে গৃহমন্ত্ৰীগৰাকীয়ে সামৰিক কুচকাৱাজ প্ৰত্যক্ষ কৰে। শ্ৰীশ্বাহে বাহিনীটোৰ জোৱানসকলক সাহসিকতাৰ বঁটা তথা উৎকৃষ্ট সেৱাৰ বাবে আৰক্ষী বিশেষ পদক প্ৰদান কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে বাহৰেইণৰ ৰাজধানী মানামাত অনুষ্ঠিত দক্ষিণ এছিয়া বিষয়ক আলোচনাত ভাৰতৰ পশ্চিম এছিয়াৰ বিষয়সমূহ সমাধানৰ বাবে সৰ্বাত্মক কৌশল আছে বুলি প্ৰকাশ কৰিছে। মানামা আলোচনাৰ সামৰণিৰ পূৰ্ণাংগ অধিৱেশনত ভাষণ প্ৰসংগত ড০ জয়শংকৰে ভূমধ্য সাগৰীয় দেশসমূহৰ সৈতে ৮ হাজাৰৰ পৰা ৯ হাজাৰ কোটি ডলাৰ পৰিমাণৰ বাণিজ্যৰ সমান্তৰালকৈ উপসাগৰীয় সহযোগিতা পৰিষদ, ইৰাণ আৰু ইৰাকৰ সৈতে ১৭ হাজাৰ কোটিৰ পৰা ১৮ হাজাৰ কোটি ডলাৰ পৰিমাণৰ বাৰ্ষিক বাণিজ্য অব্যাহত থকা বুলি সদৰি কৰে। ড০ জয়শংকৰে কয়, যে ভূমধ্য সাগৰীয় দেশসমূহত থকা প্ৰায় ৫ লাখ তথা উপসাগৰীয় অঞ্চলত থকা এক কোটিতকৈও অধিক ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ জৰিয়তে মানুহৰ মাজৰ পাৰস্পৰিক যোগাযোগে ভাৰত আৰু পশ্চিম এছিয়াৰ মাজত বিশেষ সদভাৱ সৃষ্টি কৰিছে। ইয়াৰ ফলত দ্বিপাক্ষিক সম্পৰ্ক তথা অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত হৈছে। ভাষণ প্ৰসংগত ড০ জয়শংকৰে সেউজ হাইড্ৰজেন তথা সেউজ এম'নিয়াৰ দৰে উদয়ীমান খণ্ডকে ধৰে দেশৰ ভৱিষ্যতৰ শক্তি সুৰক্ষাৰ ক্ষেত্ৰত এই অঞ্চলটোৰ বিশেষ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয়, যে পৰম্পৰাগত শক্তি সম্পদৰ পৰিধি অতিক্ৰম কৰি এই অঞ্চলটো সাৰৰ আমদানীৰ জৰিয়তে দেশৰ কৃষিখণ্ডৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে। তদুপৰি এই অঞ্চল প্ৰযুক্তি আৰু বিনিয়োগৰ সহযোগিতা খণ্ডত আগশাৰীৰ মিত্ৰ হিচাপে উজ্বলি উঠিছে। আঞ্চলিক সামুদ্ৰিক সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ সক্ৰিয় ভূমিকাৰ ওপৰত আলোকপাত কৰি তেওঁ কয়, যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা ব্যৱস্থাত অংশগ্ৰহণ কৰাৰ বাবে গুৰুত্বপূৰ্ণ জলপথসমূহত নিজৰ অৱস্থিতি অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে শেহতীয়া জি-২০ শীৰ্ষ সন্মিলনত ঘোষিত ভাৰত-মধ্য প্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক ক'ৰিডৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে।

০০০০০

ছিৰিয়াত সংঘটিত শেহতীয়া ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত দেশখনত ২৪ বছৰীয়া একনায়কত্ববাদী চৰকাৰৰ পতন ঘটে। দেশখনত বিদ্ৰোহী দলে ডামাস্কাছ দখল কৰাৰ বিপৰীতে ৰাষ্ট্ৰপতি বাছাৰ আল আছাদে ইতিমধ্যে

দেশ এৰি পলায়ন কৰিছে। বিগত দুসপ্তাহৰ ভিতৰত দেশখনৰ চাৰিখনকৈ প্ৰধান মহানগৰ বিদ্ৰোহীয়ে দখল কৰাৰ অন্তত আজি দেশখনৰ একনায়কত্ববাদী চৰকাৰৰ পতন ঘটে।

০০০০০

পঞ্জাৱত প্ৰতিবাদৰত কৃষকসকলে আজি তেওঁলোকৰ দিল্লীলৈ পদযাত্ৰাৰ কাৰ্যসূচী দিনটোৰ বাবে স্থগিত ৰাখে। কৃষক নেতাসকলে এখন বৈঠকৰ অন্তত তেওঁলোকৰ পৰৱৰ্তী কাৰ্যসূচী সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি সদৰি কৰে। জলন্ধৰৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি এদল কৃষকে আজি বিয়লি দিল্লীলৈ পদযাত্ৰা কৰাৰ সময়ত হাৰিয়ানা আৰক্ষীয়ে সম্ভুৰ সীমান্ত অঞ্চলত তেওঁলোকক বাধা দিয়ে। দিল্লী অভিমুখে অগ্ৰসৰ হোৱাৰ বাবে কৃষকসকলৰ কোনো অনুমতি পত্ৰ নথকাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে এই পদক্ষেপ গ্ৰহণ কৰে।

০০০০০

কলকাতা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি পঞ্চম দিন। নন্দনত আজি পুৱাৰ ভাগত শতিকাৰ বিশেষ চলচ্চিত্ৰ শিতানত **গ'ডফাডাৰ** চলচ্চিত্ৰখন প্ৰদৰ্শিত হয়। আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ শিতানত দ্যা ছেমলেছ, দ্যা মষ্ট প্ৰিচিয়াছ অৱ কাৰ্গ'জ অৱ ফ্ৰেণ্ডছ আৰু দ্যা ৰুম নেক্সট ড'ৰ অৱ স্পেইন প্ৰদৰ্শন কৰা হয়। মহানগৰীখনৰ বিভিন্ন প্ৰান্তত আজি কেইবাখনো উল্লেখযোগ্য চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হয়। সন্ধিয়াৰ ভাগলৈ কলকাতাৰ বিভিন্ন প্ৰান্তত এই সন্দৰ্ভত আলোচনা চক্ৰ অনুষ্ঠিত হোৱাৰ কথা।

০০০০০

কেন্দ্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ যুঁটীয়া সচিব ৰাজেশ গুপ্তাৰ নেতৃত্বত এটা কেন্দ্ৰীয় দলে আজি পুডুচেৰীত ঘূৰ্ণীবতাহ ফেংগালৰ ক্ষয়-ক্ষতিৰ বুজ লয়। দলটোৱে ঘূৰ্ণীবতাহৰ ফলত পানীত বুৰ যোৱা তথা ধাৰাসাৰ বৰষুণে ক্ষতিগ্ৰস্ত কৰা মুলুদয় বিদুৎ যোগান কেন্দ্ৰ পৰিদৰ্শন কৰে। পুডুচেৰী চৰকাৰৰ বিষয়াবৰ্গৰ সৈতে দলটোৱে দলটোৱে মত বিনিময় কৰি ক্ষয়-ক্ষতিৰ সবিশেষ বুজ লয়। তাৰ পাছত দলটো দুটা ভাগত বিভক্ত হৈ নগৰীয়া আৰু গ্ৰামাঞ্চল পৃথককৈ পৰ্যবেক্ষণ কৰে। সন্ধিয়া ভাগলৈ কেন্দ্ৰীয় দলটোৱে উপ-ৰাজ্যপাল কে কৈলাশনাথন আৰু মুখ্যমন্ত্ৰী এন ৰাঙ্গাস্বামীক সাক্ষাৎ কৰাৰ কথা।

০০০০০

পুৰুষৰ ১৯ বছৰ অনূৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত বাংলাদেশে ভাৰতক পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত বাংলাদেশে ভাৰতক ৫৯ ৰানত পৰাস্ত কৰে। ১৯৯ ৰানৰ লক্ষ্য আগত ৰাখি ভাৰতে ৩৫ অভাৰ দুটা বলত আটাইকেইটা উইকেট ১৩৯ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভাৰতীয় দলৰ অধিনায়ক মহম্মদ অমনে দলৰ হৈ সৰ্বাধিক ২৬ ৰান সংগ্ৰহ কৰাৰ উপৰি অলৰাউণ্ডাৰ হাৰ্ডিক ৰাজে ২১টা বলত ২৪ ৰান সংগ্ৰহ কৰে। খেলখনত বাংলাদেশে ৪৯ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৮ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মহম্মদ ৰিজান হোছানে সৰ্বাধিক ৪৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ যুধাজিৎ গুহ, চেতন শৰ্মা আৰু হাৰ্ডিক ৰাজে দুটাকৈ উইকেট দখল কৰে।

০০০০০

অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মহিলা ক্ৰিকেট দলৰ মাজত চলি থকা এদিনীয়া শৃংখলাৰ কুইন্সলেণ্ডৰ ব্ৰীছবেনৰ এলেন বৰ্ডাৰ ফিল্ডত অনুষ্ঠিত দ্বিতীয়খন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ১২২ ৰানত পৰাস্ত কৰে। ৩৭২ ৰানৰ লক্ষ্য অভিমুখে খেলি ভাৰতীয় মহিলা দলটোৱে ৪৪ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৯

ৰান সংগ্ৰহ কৰে। এই জয়ৰ জৰিয়তে অষ্ট্ৰেলিয়া দলটোৱে তিনিখনীয়া আন্তঃৰাষ্ট্ৰীয় শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। খেলখনত অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ৩৭১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ জৰ্জিয়া ৱ'লে ৮৫টা বলত ১০১ ৰান সংগ্ৰহ কৰাৰ লগতে এলিছ পেৰীয়ে ৭৫টা বলত ১০৫ ৰান সংগ্ৰহ কৰে। এনাবেল ছাথাৰলেণ্ডে ৮ অভাৰ ৫টা বলত ৩৮ ৰানৰ বিনিময়ত ৪টা উইকেট দখল কৰে। ভাৰতৰ হৈ ৰীচা ঘোষে ৫৪ ৰান সংগ্ৰহ কৰে। শৃংখলাটোৰ অন্তিম মেচখন অহা ১১ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত